GOVERNMENT OF ASSAM

National Health Mission, Assam

# হাবিয়ে-বননিয়ে পোৱা কাঠফুলা নাখাব
# সেইবোৰ বিষাক্ত আৰু মাৰাত্মক






## বিষাক্ত কাঠফুলা খোৱাৰ ফলত হোৱা বিষক্ৰিয়াৰ লক্ষণসমূহ

- পেটৰ বিষ
- বমি হোৱা
- পনীয়া শৌচ
- শাৰীৰিক দুৰ্বলতা
- জ্বৰ
- মূৰৰ বিষ

## মনত ৰাখিব

- বাটে-ঘাটে, হাবিয়ে-জংঘলে পোৱা কাঠফুলাত বিভিন্ন ক্ষতিকাৰক বিষাক্ত পদাৰ্থ পৰিলক্ষিত হয়, এনেধৰণৰ কাঠফুলাই মানৱ শৰীৰত মাৰাত্মক বিষক্ৰিয়া সৃষ্টি কৰে।
- য'তে-ত'তে পোৱা কাঠফুলা খাই আপুনি বিপদত নপৰিব। কেৱল চৰকাৰৰ দ্বাৰা অনুমোদিত তথা বিজ্ঞানসন্মতভাৱে উৎপাদিত কাঠফুলাহে খোৱাৰ বাবে উপযোগী।
- বাটে-ঘাটে, হাবিয়ে-জংঘলে পোৱা কাঠফুলা খোৱাৰ ফলত পেটৰ বিষ, বমি, পনীয়া শৌচ, মূৰৰ বিষ আৰু জ্বৰ আদিৰ দৰে লক্ষণে দেখা দিব পাৰে।
- হাবিয়ে-জংঘলে পোৱা বন্য কাঠফুলাৰ কোনবিধ বিষাক্ত প্ৰকাৰৰ আৰু কোনবিধ নিৰাপদ প্ৰকাৰৰ চিনাক্ত কৰাৰ বা পৃথক কৰাৰ কোনো ঘৰুৱা পদ্ধতি নাই। এইক্ষেত্ৰত আনৰ কথা, উৰা-বাতৰি নুশুনিব।
- বনৰীয়া কাঠফুলাৰ বিষাক্ত পদাৰ্থই মানুহৰ যকৃত আৰু বৃক্কক বেয়াকৈ প্ৰভাৱিত কৰে, যাৰ ফলত অতি কম সময়ৰ ভিতৰতে আক্ৰান্ত ব্যক্তিৰ মৃত্যুপৰ্যন্ত হ'ব পাৰে।
- যদি আপোনাৰ কোনো সন্দেহ হৈছে যে আপুনি বা আপোনাৰ পৰিয়ালৰ কোনো সদস্যই বিষাক্ত কাঠফুলা খাইছে, তেন্তে যিকোনো উপসৰ্গ/লক্ষণে দেখা দিয়ালৈ অপেক্ষা নকৰি আপোনাৰ নিকটতম স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ কৰক।

## বিষাক্ত কাঠফুলা সম্পৰ্কে সমাজত প্ৰচলিত কিছুমান ভ্ৰান্ত ধাৰণা

- সকলো বিষাক্ত কাঠফুলাৰ ৰং উজ্জ্বল আৰু জিলিকি থকা দেখা যায়।
- বিজ্ঞানসন্মতভাৱে উৎপাদিত কাঠফুলাক বিষাক্ত কাঠফুলাৰ পৰা পৃথক কৰা সহজ।
- হাবিয়ে-বননিয়ে পোৱা কাঠফুলা ফ্ৰীজত বা বৰফত থৈ বা ৰ'দত শুকুৱাই ৰান্ধি খালে নিৰাপদ হ'ব পাৰে।
- বিষাক্ত কাঠফুলাৰ গোন্ধ আৰু সোৱাদ অতি উগ্ৰ।

কাঠফুলা খোৱাৰ পিছত যদি পেটৰ বিষ, বমি, পনীয়া শৌচ বা পেটৰ অসুখ, মূৰৰ বিষ, জ্বৰ আদিৰ দৰে কোনো লক্ষণে দেখা দিয়ে, তেন্তে তাৎক্ষণিকভাৱে আপোনাৰ নিকটতম স্বাস্থ্য কেন্দ্ৰৰ সৈতে যোগাযোগ কৰক।

যিকোনো স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শৰ বাবে
**১০৪ ডায়েল কৰক**

এম্বুলেন্স সেৱাৰ বাবে
**১০৮ ডায়েল কৰক**